জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩০০/২০২২**

## দক্ষিণ এছিয়া আঞ্চলিক জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## অসম বেডমিণ্টন সন্থাক এই প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সুযোগ দিয়াৰ বাবে বেডমিণ্টন এছিয়াক ধন্যবাদ জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ৩০ ছেপ্টেম্বৰ ঃ** দেশভক্ত তৰুণৰাম ফুকন ইণ্ডʼৰ ষ্টেডিয়ামত পাঁচদিনীয়াকৈ অনুষ্ঠিত দক্ষিণ এছিয়া আঞ্চলিক জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে অসম বেডমিণ্টন সন্থাক এই প্ৰতিযোগিতা আয়োজনৰ সুযোগ দিয়াৰ বাবে বেডমিণ্টন এছিয়া আৰু বেডমিণ্টন এছʼচিয়েশ্যন অৱ ইণ্ডিয়াক ধন্যবাদ জ্ঞাপন কৰে।

উল্লেখ্য যে এইবাৰকে ধৰি অসমত তৃতীয় বাৰৰ বাবে অসম বেডমিণ্টন সন্থাই এই আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাখন অনুষ্ঠিত কৰাৰ বাবে সুযোগ লাভ কৰিছে।

সামৰণি অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে দক্ষিণ এছিয়া আঞ্চলিক জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ ১৫ আৰু ১৭ বছৰ অনুৰ্দ্ধৰ লʼৰা-ছোৱালীয়ে অনবদ্য প্ৰদৰ্শন দেখুৱাবলৈ সক্ষম হৈছে। এই প্ৰতিযোগিতাৰ জৰিয়তে দেশ তথা ৰাজ্যখনৰ প্ৰতিভাধাৰ বেডমিণ্টন খেলুৱৈসকলক নিজৰ দক্ষতা দেখুৱাৰ বাবে সুযোগ প্ৰদান কৰিলে। এই প্ৰতিযোগিতাৰ সামৰণি অনুষ্ঠানত উপস্থিত থাকিবলৈ পাই অতিশয় আনন্দিত বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ক্ৰীড়া প্ৰতিভা বিকাশৰ ক্ষেত্ৰত ই এক সঠিক মঞ্চ হিচাপে বিবেচিত হৈছে। ইয়াৰ জৰিয়তে পৰৱৰ্তী পৰ্যায়ত তেওঁলোকে নিজৰ ক্ৰীড়া প্ৰতিভা অধিক বিকশাই তোলাৰ বাবে সুযোগ লাভ কৰিব। তেওঁলগতে কয় যে এই আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাখন অসমে সফলতাৰে অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছে। এই প্ৰতিযোগিতাত পদক লাভ কৰা আৰু উন্নত ক্ৰীড়া নৈপুণ্যতা প্ৰদৰ্শন কৰা খেলুৱৈসকলক মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে বিজয়ী দলসমূহক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে মেডেল প্ৰদান কৰে।

উল্লেখ্য যে ভাৰত, বাংলাদেশ, শ্ৰীলংকা, ভূটান, নেপাল, মালদ্বীপকে ধৰি ৬ খন দেশৰ প্ৰায় ৭০ গৰাকী খেলুৱৈয়ে ইয়াত অংশগ্ৰহণ কৰিছে।

অসম বেডমিণ্টন এছʼচিয়েশ্যনৰ কাৰ্যকৰী সভাপতি তথা কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, বিধায়ক তৰংগ গগৈ, বেডমিণ্টন এছিয়াৰ সচিব প্ৰধান মুছা নাছিদ, অসম বেডমিণ্টন এছʼচিয়েশ্যনৰ উপ-সভাপতি পাৰ্থ সাৰথি মহন্ত আৰু অন্যান্য গণ্য-মান্য ব্যক্তি তথা ক্ৰীড়াবিদ উপস্থিত আছিল।

**সুঃদঃ / পুঃডেঃ**
**৩০/০৯/২০২২**